# অসম আদিত্য

১৭ জেঠ, ১৯৪৮ শক ■ সোমবাৰ, ১ জুন, ২০২৬ ■ Asom Aditya, Dibrugarh, Monday, June 1, 2026 ■ Price Rs. 7 ■ ডিব্ৰুগড় আৰু গুৱাহাটী

### জিলা কুৰ্মি সমাজৰ কৃতী শিক্ষাৰ্থীক সম্বৰ্ধনা অনুষ্ঠানত অধ্যক্ষ ড° শশীকান্ত শইকীয়া

## সময়ৰ সদ্ব্যৱহাৰ সফলতাৰ মূল ছাবি-কাঠী



**ষ্টাফ ৰিপৰ্টাৰ, ৩১ মে'ঃ** 'সময়ৰ সদ্ব্যৱহাৰ সফলতাৰ মূল ছাবি-কাঠি। সময়ক উপযুক্তভাৱে ব্যৱহাৰ কৰিলেহে জীৱনত সফলতা লাভ কৰিব পাৰি।' ডিব্ৰুগড় জিলা কুৰ্মি সমাজ, ডিব্ৰুগড় জিলা কুৰ্মি যুৱ-ছাত্ৰ পৰিষদ আৰু ডিব্ৰুগড় জিলা কুৰ্মি মহিলা পৰিষদৰ যৌথ উদ্যোগত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ শ্ৰীমন্ত শংকৰদেৱ সভাকক্ষত অনুষ্ঠিত ২০২৫-২৬ বৰ্ষৰ ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ কৃতী ছাত্ৰ-ছাত্ৰীৰ সম্বৰ্ধনা অনুষ্ঠানত মুখ্য অতিথি হিচাপে উপস্থিত থাকি অসম সাহিত্য সভাৰ আন্তঃৰাজ্য বিদেশ মৈত্ৰীবন্ধন উপ-সমিতিৰ আহ্বায়ক, ডিব্ৰুগড় সাহিত্য সভাৰ প্ৰাক্তন সভাপতি, বিশিষ্ট লেখক, সাহিত্যিক তথা ঐতিহ্যমণ্ডিত ডিব্ৰুগড় হনুমানবক্স সুৰজমল কানৈ মহাবিদ্যালয় (স্বায়ত্তশাসিত)ৰ অধ্যক্ষ কৰ্মসূৰ্য ড০ শশীকান্ত শইকীয়াই আজি এইদৰে কয়। অধ্যক্ষ ড০ শইকীয়াই সফলতাৰ বিভিন্ন দিশ উল্লেখ কৰি ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি কয়— জীৱনত কৃতকাৰ্যতা লাভ কৰিবলৈ হ'লে কঠোৰ পৰিশ্ৰমৰ অতি প্ৰয়োজন। ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সম্পাদক জগত কুৰ্মিয়ে আঁত ধৰা অনুষ্ঠানটিত অধ্যক্ষগৰাকীয়ে কয়— কঠোৰ পৰিশ্ৰম অবিহনে জীৱনত কেতিয়াও সফলতা লাভ কৰিব নোৱাৰি। তেওঁ কয়— সদায় জ্ঞান আহৰণৰ ভোকত থাকিব লাগে, জ্ঞান আহৰণৰ ভোকেহে এজন মানুহক প্ৰকৃত সফলতা লাভত সহায় কৰে। ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সভাপতি হৰিৎ কুৰ্মিয়ে সভাপতিত্ব কৰা সভাখনিত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকি উদ্যোগিক প্ৰশিক্ষণ প্ৰতিষ্ঠান তিনিচুকীয়াৰ অধ্যক্ষ ৰাজু গোপালে উপস্থিত সম্বৰ্ধিত ছাত্ৰ-ছাত্ৰীসকলক উদ্যোগিক প্ৰতিষ্ঠানত অধ্যয়নৰ বিভিন্ন সুবিধাৰ বিষয়ে বহুখিনি কথা অৱগত কৰে। বৰহাট ভৱানী প্ৰসাদ বৰুৱা মহাবিদ্যালয়ৰ অধ্যাপক ৰাবিন্দ্ৰ দাসে উপস্থিত ছাত্ৰ-ছাত্ৰীসকলক ভৱিষ্যত জীৱনত ল'ব লগা সাৱধানতা আৰু বিভিন্ন পদক্ষেপসমূহৰ বিষয়ে অৱগত কৰাৰ লগতে ছাত্ৰ-ছাত্ৰীসকলক জীৱনত সফলতা লাভৰ বিভিন্ন উপায় সম্পৰ্কে অৱগত কৰে। পুৱা পতাকা উত্তোলনেৰে শুভাৰম্ভ হোৱা অনুষ্ঠানটিত স্মৃতি তৰ্পণৰ লগতে প্ৰয়াত প্ৰাণৰ শিল্পী জুবিন গাৰ্গৰ প্ৰতিচ্ছবিত মাল্যাৰ্পণ কৰা হয়। টিমনা গাঁও সভাৰ শিল্পীসকলৰ দ্বাৰা পৰিৱেশিত সমৱেত সংগীতৰ পিছতে বিশিষ্ট সমাজকৰ্মী তথা জ্যোতি ললিতা কানৈ ফাউণ্ডেশ্যনৰ সঞ্চালক জ্যোতিপ্ৰসাদ কানৈক 'জ্ঞানশ্ৰী' বঁটাৰে কুৰ্মি সমাজে বিশেষ সম্বৰ্ধনা জ্ঞাপন কৰে। গাম্ভীৰ্যপূৰ্ণ অনুষ্ঠানটিত অসম কুৰ্মি সমাজৰ কেন্দ্ৰীয় সাধাৰণ সম্পাদক প্ৰবীণ কুৰ্মি, এছ কে এছ ইংলিছ একাডেমী লাহোৱালৰ স্বত্বাধিকাৰী দয়ানন্দ শ্বাহ, অসম চাহ জনজাতি ছাত্ৰ সন্থা ডিব্ৰুগড় জিলাৰ সভাপতি বিমল বাগে ছাত্ৰ-ছাত্ৰীসকলক উদ্দেশ্যি মননশীল বক্তব্য প্ৰদান কৰে। উল্লেখ্য যে ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ দ্বাৰা আয়োজিত অনুষ্ঠানটিত চলিত বৰ্ষৰ হাইস্কুল শিক্ষান্ত পৰীক্ষাত আৰু উচ্চতৰ মাধ্যমিক শিক্ষান্ত পৰীক্ষাত কলা আৰু বিজ্ঞান শাখাত সৰ্বোচ্চ নম্বৰপ্ৰাপ্ত তিনিগৰাকী ছাত্ৰ-ছাত্ৰী ক্ৰমে — ৰিদিপ কুৰ্মি, লীনা কুৰ্মি আৰু সুকণ্যা কুৰ্মিক বিশেষ সম্বৰ্ধনা আৰু ভৱিষ্যত শিক্ষা জীৱনৰ বাবে আৰ্থিক সাহাৰ্য আগবঢ়োৱাৰ লগতে ডিব্ৰুগড় জিলাৰ প্ৰায় ডেৰ শতাধিক কৃতী ছাত্ৰ-ছাত্ৰীক সম্বৰ্ধনা জনোৱা হয়। অনুষ্ঠানত বিশিষ্ট অতিথি হিচাপে উপস্থিত থাকে অসম কুৰ্মি যুৱ-ছাত্ৰ পৰিষদৰ সভাপতি ডিম্বেশ্বৰ কুৰ্মি, চাহ জনগোষ্ঠী জাতীয় মহাসভা ডিব্ৰুগড় জিলাৰ সভাপতি মন্তুষ কুৰ্মি, এছ কে এছ ইংলিছ একাডেমী লাহোৱালৰ সঞ্চালিকা মুন শ্বাহ, অসম কুৰ্মি মহিলা পৰিষদৰ উপ-সভানেত্ৰী বেলিমাই কুৰ্মি। উক্ত অনুষ্ঠানতে ৰক্তদান কৰা তিনিগৰাকী ৰক্তদাতা ক্ৰমে ৰাজু কুৰ্মি, পোনা কুৰ্মি আৰু অজয় কুৰ্মিক সম্বৰ্ধনা জ্ঞাপন কৰা হয়। অনুষ্ঠানৰ শেষত শলাগ জ্ঞাপন কৰে ডিব্ৰুগড় জিলা কুৰ্মি সমাজৰ সম্পাদক জগত কুৰ্মিয়ে।